**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। নুমলিগড়ত অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীৰ দেশৰ প্ৰথমটো বায়' ইথানল প্ৰকল্প উদ্বোধন।

২। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ৭৭ বছৰপূৰ্তি উপলক্ষে আজি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন।

৩। আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰে'লৰ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাড়া সামান্য বৃদ্ধি।

৪। নিউয়ৰ্কত অসমৰ চাহৰ দ্বি-শতবাৰ্ষিকী উদযাপন।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ আজি দ্বিতীয়খন খেল।

০০০০০০০

বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা দেশৰ ভিতৰতে প্ৰথমটো প্ৰকল্প নুমলিগড়ত অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নুমলিগড় শোধনাগাৰ প্ৰাঙ্গনতে মন্ত্ৰী, সাংসদ, বিধায়ক আৰু উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। ইয়াৰ পাছতে ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া নুমলিগড়ৰ ইথানল প্ৰস্তুতকাৰী প্ৰকল্পৰ সফলতাই ৰাজ্যখনত অনাগত দিনত এনে ধৰণৰ বহু উদ্যোগ স্থাপনৰ বাট মুকলি কৰিব। দ্বিতীয় এডভাণ্টেজ আচামত নুমলিগড় শোধনাগাৰ লিমিটেডে ৰাজ্যখনৰ কেইবাটাও স্থানত নতুন উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ভিতৰত কামৰূপত ৬৫০ কোটি টকা ব্যয় সাপেক্ষে এটা প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নুমলিগড় শোধনাগাৰত অসম বায়' ইথানল প্ৰাইভেট লিমিটেডৰ উদ্যোগত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা প্ৰকল্পটো পৰিদৰ্শন কৰে। ড০ শৰ্মাই লগতে শোধনাগাৰত কৰ্মৰত আৱাসীসকলৰ বাবে ধনশিৰি নগৰ নামৰ নৱ নিৰ্মিত টাউনশ্বিপখনো উদ্বোধন কৰে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে বোকাখাট সমজিলাৰ আৰৰ্ত ভৱনত কিছুদিন পূৰ্বে গোলাঘাট জিলাৰ পানবাৰীৰ কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ শিবিৰত গ্ৰেনেড বিস্ফোৰণত আঘাটপ্ৰাপ্ত ৩ গৰাকী জোৱানক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে।

০০০০০০০

শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৱা চাৰে ৯ বজাত বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰিব। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হ'ব। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই

আজি দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰবিষয়ক কুইজৰ বিজয়ীসকলৰ লগতে ভালেকেইগৰাকী প্ৰাক্তন সতীৰ্থৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখ কালি ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ব। আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিবিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০০০

ভাৰতীয় ৰে'লৱেই আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ ৰে'লৰ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰিছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লৱেই প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰৰ কম দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

০০০০০০০

গেৰুকামুখৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প বিদ্যুৎ উৎপাদনৰ বাবে সাজু হৈ উঠিছে। ৰাষ্ট্ৰীয় বান্ধ সুৰক্ষা প্ৰাধিকৰণ–এন ডি এফ এ অনুমতি প্ৰদান কৰিলেই সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত উৎপাদন আৰম্ভ হ'ব। এন এইচ পি চি কৰ্তৃপক্ষই কালি এই বিষয়ে ঘোষণা কৰে। প্ৰথম পৰ্যায়ত তিনিটা ইউনিটৰ জৰিয়তে, প্ৰতিটোৰ পৰা ২৫০ মেগাৱাটকৈ মুঠ ৭৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হ'ব। এই তিনিটা ইউনিটৰ শক্তি উৎপাদনৰ পাছত বাকী পাঁচটা ইউনিটৰ নিৰ্মাণকাৰ্য অহা বছৰৰ মে'ৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব বুলিও এন এইচ পি চিয়ে আশা প্ৰকাশ কৰে। অহা বছৰৰ পৰা প্ৰকল্পটোৰ জৰিয়তে ২০০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে। ৰাজ্য চৰকাৰে অসমৰ বিদ্যুতৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি নামনি সোৱণশিৰি প্ৰকল্পৰ পৰা ৫০০ মেগাৱাট বিদ্যুৎ ক্ৰয় কৰিব বিচাৰিছে যদিও এন এইচ পি চিয়ে ২০৮ মেগাৱাট বিদ্যুৎ প্ৰদানতহে সন্মতি দিছে।

০০০০০০০

নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বাক্‌ৰিকুছি গাঁৱত কালি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। দীৰ্ঘদিন ধৰি অঞ্চলটোত মীন মহল, খেতি-বাতি কৰাৰ উপৰি পকী ঘৰ বন্ধা পৰিয়ালসমূহক বৃহৎ আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ সহযোগত প্ৰশাসনে কালি আঁতৰাই পঠিয়ায়। উত্তৰ বৰক্ষেত্ৰী মৌজাৰ বৰ্ণীবাৰী বৰতলা পথাৰ বাকৰিকুছিৰ ১০৬ নম্বৰ দাগৰ ৪৫২ বিঘা ১ কঠা ১৪ লেচা চৰকাৰী ভূমিত এই উচ্ছেদ অভিযান চলোৱা হয়। ইয়াৰে বৰ্ণিবাৰী বৰতলা পথৰ পূবফালে ১৫২ বিঘা মাটিত ৩২২ টা ঘৰ সাজি আৰু পশ্চিম দিশে ৩০০ বিঘা মাটিত মীনমহল খান্দি একাংশ লোকে মীনপালন কৰি আহিছিল। এই চৰকাৰী ভূমি খালি কৰিবলৈ যোৱা ৩ জুনত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ে দখলকাৰীসকললৈ জাননী জাৰি কৰিছিল। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ নলবাৰীৰ সংবাদদাতা ৰমেন কলিতাই –

বাইট

০০০০০০০

আজিৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে বন মহোৎসৱ আৰম্ভ হৈছে। সমৃদ্ধিশালী জৈৱ বৈচিত্ৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে এই মহোৎসৱ উদযাপন কৰি অহা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বন মহোৎসৱলৈ শুভেচ্ছা জ্ঞাপন কৰি  বন ভূমিৰ সংৰক্ষণ, শক্তিশালী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ মাধ্যমেৰে সু-ভৱিশ্যতৰ দিশে অগ্ৰসৰ হোৱাৰ আহ্বান জনায়।

০০০০০০০

মাদক দ্ৰব্যৰ বিৰুদ্ধে চলাই থকা অভিযানৰ অংশ হিচাপে অসম আৰক্ষীয়ে কালি শ্ৰীভূমি আৰক্ষীৰ সহযোগত ৬ কোটি টকা মূল্যৰ হেৰ'ইন জব্দ কৰে। নীলাম বজাৰৰ লালপুল এলেকাত চলোৱা এই অভিযানত ৮৭০ গ্ৰাম হেৰ'ইন জব্দ কৰা হয়। ঘটনা সন্দৰ্ভত তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

বৰপেটা আৰক্ষীয়ে কালি সন্ধিয়া হাউলীত এখন ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ য়াবা টেবলেট জব্দ কৰে। হাউলীৰ ৰাষ্ট্ৰীয় পথত বাহনৰ তালাচী চলাই থাকোতে গুৱাহাটীৰ দিশৰ পৰা যোৱা এখন ট্ৰাকত ২৭ টা পেকেটত ২৬ হাজাৰটা য়াবা টেবলেট জব্দ কৰিবলৈ সমৰ্থ হয়। মিজোৰামৰ পৰা সৰবৰাহ কৰা এই নিষিদ্ধ টেবলেটখিনিৰ দাম ১ কোটি ৩০ লাখ মান টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে ট্ৰাকখনৰ চালকজনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে।

০০০০০০০

আজি চিকিৎসক দিৱস। সু-চিকিৎসক ডাঃ বিধান চন্দ্ৰ ৰায়ৰ মানৱ সেৱা তথা চিকিৎসা জগতলৈ তেওঁ আগবঢ়াই যোৱা অনবদ্য অৱদানৰ প্ৰতি সন্মান জনাই আজিৰ দিনটো সমগ্ৰ দেশতে চিকিৎসক দিৱস হিচাপে পালন কৰি অহা হয়। ১৮৮২ চনৰ পহিলা জুলাইত জন্মগ্ৰহণ কৰা আৰু ১৯৬২ চনৰ পহিলা জুলাইত মৃত্যুবৰণ কৰা ডাঃ ৰয়ক ১৯৬১ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে বিভূষিত কৰা হৈছিল।

চিকিৎসক দিৱসৰ দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসক সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসা সেৱাৰ ক্ষেত্ৰখনৰ উত্তৰণৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি যাবলৈ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি প্ৰকাশ কৰিছে। আশাৰ পোহৰ বিলাই মানৱ সেৱাৰ দৰে মহান বৃত্তিৰ সৈতে জড়িত চিকিৎসকসকলে জীৱন ৰক্ষাৰে সমাজত হাঁহি বিলাইছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত অসমৰ চাহৰ গৌৰৱময় দ্বি-শতবাৰ্ষিকী উদযাপন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি উদযাপন কৰা মূল কাৰ্যসূচী হিচাপে নিউয়ৰ্কৰ জেকব জেভিছ ছেণ্টাৰত আয়োজিত ছামাৰ ফেন্সি ফুড শ্ব'ৰ ভাৰত মণ্ডপত অসমৰ চাহৰ এটা মণ্ডপো মুকলি কৰা হয়। আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় এছ প্ৰধানৰ উপস্থিতিত কালি অসমৰ মুখ্যসচিব ড০ ৰবি কোটাই ভাৰত মণ্ডপ উদ্বোধন কৰে। ড০ কোটাই কয়, যে এই মণ্ডপৰ জৰিয়তে ভাৰত আৰু আমেৰিকাৰ মাজৰ গভীৰ সম্পৰ্কক উদযাপন কৰা হৈছে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মহিলা দলৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ব্ৰিষ্টলৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত হ'ব। নটিংহামৰ ট্ৰেণ্ট ব্ৰীজত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ঘৰুৱা দলটোক ৯৭ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ অগ্ৰগতি লাভ কৰিছে। খেলখনত স্মৃতি মান্ধানাই টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত নিজৰ প্ৰথমটো শতক অৰ্জন কৰিছিল। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে টেষ্ট, এদিনীয়া আৰু টি-২০- এই আটাইকেইটা সংস্কৰণতে শতক অৰ্জন কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০০০০

## NPR

২০২৬-ৰ বিধানসভা নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাই অসমত পুনৰ এন ডি এক নেতৃত্ব দিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ঘোষণা, গোলাঘাটত মুখ্যমন্ত্ৰীৰ বাহনলৈ বটল নিক্ষেপৰ ঘটনা, নলবাৰীত প্ৰশাসনৰ উচ্ছেদ অভিযান, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ বিৰুদ্ধে ৰাজ্যৰ ঠায়ে ঠায়ে কংগ্ৰেছকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদকে ধৰি কেইবাটাও বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত স্থান পাইছে।

ইয়াৰে ২৬'ৰ নিৰ্বাচনকেন্দ্ৰিক বাতৰিটো **অসমীয়া খবৰ** কাকতে 'তৃতীয়বাৰৰ বাবে একেলেথাৰিয়ে ৰাজ্যৰ শাসনলৈ আহিব বিজেপি চৰকাৰ, মুখ্যমন্ত্ৰী হিমন্তৰ নেতৃত্বত ২৬'ৰ বিধানসভা নিৰ্বাচন, অমিত শ্বাহৰ মন্তব্য' আৰু **দৈনিক অসম** কাকতে '২৬-ৰ নিৰ্বাচনত এন ডি এ অৱতীৰ্ণ হ'ব ড° শৰ্মাৰ নেতৃত্বত' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গোলাঘাটত সংঘটিত এটা অপ্ৰত্যাশিত ঘটনাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কনভয়লৈ প্ৰতিবাদকাৰী কংগ্ৰেছীয়ে পানীৰ বটল নিক্ষেপ কৰাক লৈ সৃষ্টি হোৱা প্ৰতিক্ৰিয়া আৰু ঘটনাৰে জড়িত যুৱতীসহ কেইবাজনকো আৰক্ষীয়ে আটক কৰা সন্দৰ্ভত এটা বাতৰি **আমাৰ অসম**কে ধৰি কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে।

গীৰগাই ক্ৰয় আৰু ৰাজ সাহায্য কেলেংকাৰীক লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে কংগ্ৰেছকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদ অব্যাহত আছে। ৰাজ্যৰ ঠায়ে ঠায়ে সাব্যস্ত কৰা প্ৰতিবাদ আৰু গোৱালপাৰা থানাত যুৱ কংগ্ৰেছে মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন**কে ধৰি কেইবাখনো কাকতে আজি এটা মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বাক্ৰিকুছি গাঁৱত কালি জিলা প্ৰশাসনে উচ্ছেদ চলাই কেইবাশ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মণিপুৰত অজ্ঞাত বন্দুকধাৰীয়ে এগৰাকী মহিলাকে ধৰি চাৰিজন লোকক গুলীয়াই হত্যা কৰা আৰু ইউ কে এন এল এই- এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল**কে ধৰি কেইবাখনো কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

আগন্তুক বিধান সভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্য চৰকাৰে অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত নগদ ধন বিতৰনৰ পৰিকল্পক কৰিছে। এই সন্দৰ্ভত পৰামৰ্শ দিবৰ বাবে বিদ্যালয় শিক্ষা বিভাগে এখন বিষয়া পৰ্যায়ৰ সমিতি গঠন কৰিছে।

বিদ্যালয় শিক্ষা বিভাগৰ অতিৰিক্ত সচিব কৃষ্ণা বৰুৱাৰ অধ্যক্ষতাত সমগ্ৰ শিক্ষাৰ বিশেষ কৰ্তব্যৰত বিষয়া, প্ৰাথমিক শিক্ষা সঞ্চাকালয়ৰ উপ-সঞ্চালক, ইউনিচেফ আৰু কেন্দ্ৰীয় স্কোৱাৰ ফাউণ্ডেচনৰ মুৰববীক লৈ এই সমিতিখন গঠন কৰা হৈছে। ইফালে অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ভিতৰত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ বিষয়টোও সমিতিখনে জাননীত উল্লেখ কৰে। এই সমিতিখনে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় এৰাৰ কাৰণসমূহ অধ্যয়ন কৰি যাৱতীয় পৰামৰ্শাৱলীসহ ১৫ আগষ্টৰ ভিতৰত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত প্ৰতিবেদন দাখিল কৰিব। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি সমিতিখনে শ্ৰেণী, লিংগ, ভৌগোলিক অৱস্থান আৰু আৰ্থ সামাজিক দিশত কোনটো পৰ্যায়ত বিদ্যালয় এৰাৰ প্ৰৱণতা বৃদ্ধি পাই সেই সন্দৰ্ভত অধ্যয়ন কৰিব। সমিতিখনে লগতে বিশেষভাৱে পিছপৰা আৰু দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিদ্যালয় এৰাৰ প্ৰৱণতা হ্ৰাস কৰাৰ বাবে নিযুত মইনা আঁচনিৰ দৰে অন্যান্য আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো পৰ্যালোচনা কৰিব।

০০০০০০০

**সমাপ্ত**